**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-09-2024 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে জল সংৰক্ষণ, উন্নত ব্যৱস্থাপনা, উন্নয়ন আৰু বিতৰণৰ লক্ষ্যত উপনীত হোৱাৰ বাবে গণ আন্দোলন গঢ়ি তোলাৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰিছে। নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজি অষ্টম ভাৰত জল সপ্তাহ উদ্বোধন কৰি শ্ৰীমতী মুৰ্মুৱে এইদৰে প্ৰকাশ কৰে। তেওঁ জল সংৰক্ষণ আৰু বহন ক্ষমতাৰ বিষয়সমূহ দূৰ কৰাৰ বাবে ঐক্যবদ্ধ প্ৰচেষ্টাৰ আৱশ্যকতাৰ বিষয়ে উল্লেখ কৰে। তেওঁ কয় যে দেশত পানীৰ উৎস ব্যৱস্থাপনাৰ এনে বহুতো প্ৰাচীন প্ৰথা আছে, যিবোৰ আজিও প্ৰাসংগিক আৰু সেইসমূহ আধুনিক ৰূপত প্ৰয়োগৰ কৰা উচিত। ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে প্ৰাচীন ভাৰতীয় গ্ৰন্থসমূহত হাজাৰ বছৰ পূৰ্বৰ জল সংৰক্ষণৰ ব্যৱস্থা সম্পৰ্কে উল্লেখ আছে। আজাদী কা অমৃত মহোৎসৱৰ অংশ হিচাপে অমৃত সৰোবৰ খনন কৰাৰ লগতে বিভিন্ন জলাশয় পুনৰুজ্জীৱিত কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। জল জীৱন মিছনে গ্ৰহণ কৰা ৰূপান্তৰকামী ভূমিকাৰ বিষয়ে উল্লেখ কৰি তেওঁ কয় যে ইয়াৰ ফলত সমগ্ৰ দেশত পানীৰ সম বিতৰণ ব্যৱস্থা উন্নীত হৈছে। এই অভিযানে সকলোৰে বাবে স্বচ্ছ আৰু বিশুদ্ধ পানী নিশ্চিত কৰিছে বুলি উল্লেখ কৰি তেওঁ গ্ৰামাঞ্চলৰ ৭৮ শতাংশ এলেকাত নলযোগে খোৱাপানী যোগান সম্পূৰ্ণ হোৱা কাৰ্যক লৈ সন্তোষ প্ৰকাশ কৰে। তেওঁ কয় যে এই ব্যৱস্থাই পানীৰ লভ্যতা নিশ্চিত কৰাৰ যাত্ৰাত উল্লেখনীয় পদক্ষেপ হিচাপে পৰিগণিত হৈছে। উল্লেখযোগ্য যে আজি আৰম্ভ হোৱা চাৰিদিনীয়া এই কাৰ্যসূচীত ৪০ খন ৰাষ্ট্ৰৰ ২০০ গৰাকী প্ৰতিনিধিকে ধৰি প্ৰায় ৪ হাজাৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানত শতাধিক প্ৰদৰ্শনকাৰী আৰু ষ্টাৰ্টআপ গোটে জল খণ্ডত তেওঁলোকৰ ভাৱধাৰা প্ৰদৰ্শনীত আলোকপাত কৰিব।

000000000

সমগ্ৰ দেশতে আজি স্বচ্ছতাই সেৱা অভিযান ২০২৪ আৰম্ভ হৈছে। আকাশবাণী গুৱাহাটীয়েও আজিৰে পৰা স্বচ্ছতা সেৱা অভিযানৰ অধীনত চাফাই কাৰ্যসূচী ৰূপায়ণ কৰিছে। আজি পুৱাই গুৱাহাটী পৌৰ নিগমৰ উদ্যোগত মহানগৰীৰ গীতা মন্দিৰ চৌহদত **স্বচ্ছ আৰু সেউজ গুৱাহাটী** গঢ়ি তোলাৰ উদ্দেশ্যে আয়োজন কৰা অনুষ্ঠানত ৰাজ্যৰ গৃহ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংহলে অংশগ্ৰহণ কৰে। ৰাজ্য তথা কেন্দ্ৰীয় চৰকাৰৰ সকলো মন্ত্ৰালয়ে দেশজুৰি স্বচ্ছতাৰ বাবে বিভিন্ন কাৰ্যসূচী আয়োজন কৰিছে। এইবাৰৰ এই অভিযানৰ বিষয়বস্তু হৈছে **স্বভাৱ স্বচ্ছতা-সংস্কাৰ স্বচ্ছতা**। দেশৰ পৰ্যটনস্থলী, ৰাজহুৱা ভৱন, বাণিজ্যিক অঞ্চল, জলাশয়, চিৰিয়াখানা তথা ৰাজহুৱা প্ৰস্ৰাৱগাৰৰ দৰে বিভিন্ন স্থানত সমূহীয়া শ্ৰমদানেৰে এই অভিযান অহা ২ অক্টোবৰলৈকে চলোৱা হ'ব।

উল্লেখযোগ্য যে, সমাজৰ ভিন্ন দৃষ্টিভংগীৰ আধাৰত তিনিটা মুখ্য দিশক সামৰি চলিত বৰ্ষৰ অভিযান আয়োজন কৰা হৈছে। এই দিশসমূহ হৈছে- স্বচ্ছতা বিশেষ গোটসমূহৰ বাবে শ্ৰমদান কাৰ্যসূচী, স্বচ্ছতাত জনসাধাৰণৰ অংশগ্ৰহণ আৰু ছাফাই মিত্ৰ সুৰক্ষা শিবিৰ। এই অভিযানত দেশজুৰি নাগৰিকসকলকে ধৰি বিভিন্ন উদ্যোগ প্ৰতিষ্ঠান, বেচৰকাৰী সংস্থা, উন্নয়নমূলক সংস্থা, স্থানীয় নগৰীয়া গোটসমূহ, পঞ্চায়ত তথা বিভিন্ন গোটে অংশগ্ৰহণ কৰিছে।

000000000

গুৱাহাটী উচ্চ ন্যায়ালয়ে মুখ্যমন্ত্ৰী তদাৰকী কোষৰ গোচৰত ধুবুৰীৰ হামিদাবাদ মহাবিদ্যালয়ৰ অধ্যক্ষ চাহাদৎ আলীৰ অগ্ৰিম জামিন নাকচ কৰিছে। মহাবিদ্যালয়খনত ধনৰ অনিয়ম সম্পৰ্কত অভিযোগ উত্থাপন হোৱাৰ পাছতেই তদাৰকী কোষে গোচৰ ৰুজু কৰিছিল। এই গোচৰত গ্ৰেপ্তাৰৰ আশংকাত অধ্যক্ষজনে অগ্ৰিম জামিন বিচাৰি উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হয়। কিন্তু এই সন্দৰ্ভত ন্যায়ালয়ত অনুষ্ঠিত শুনানি অসম চৰকাৰৰ অধিবক্তাই ২০০৯ চনৰ পৰা ২০১৯ চনলৈ মহাবিদ্যালয়খনত ধনৰ অপ-ব্যৱহাৰৰ তথ্য দাঙি ধৰে। এই তথ্যৰ পাছতে উচ্চ ন্যায়ালয়ে অধ্যক্ষজনৰ অগ্ৰিম জামিন আবেদন নাকচ কৰে।

0000000

অসমত চলিত বৰ্ষত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ বাবে আজি বৰপেটা জিলাৰ পুনৰ নিৰ্ধাৰিত পাঁচটা সমষ্টিৰ খচৰা প্ৰকাশ কৰা হয়। বৰপেটা জিলা পৰিষদৰ কাৰ্যালয়ত মুখ্য কাৰ্যবাহী বিষয়া অৰূপ কুমাৰ পাঠকে আজি জিলাখনৰ পঞ্চায়তৰ পুনৰ নিৰ্ধাৰিত সমষ্টিৰ খচৰা প্ৰকাশ কৰে। এই অনুসৰি জিলাখনৰ বৰপেটা, মন্দিয়া, চেঙা, সৰভোগ, ভৱানীপুৰ আৰু পাকা বেতবাৰী বিধানসভা সমষ্টি সামৰি নতুন সীমা নিৰ্ধাৰণ কৰা হৈছে যদিও আঞ্চলিক পঞ্চায়তৰ সংখ্যা পূৰ্বৰ দৰে ৯ খনতে সীমাবদ্ধ আছে। একেদৰে জিলা পৰিষদ ১৯ খন আৰু গাঁও পৰিষদৰ ১০২ খন। মুখ্য কাৰ্যবাহী সদস্যগৰাকীয়ে কয় যে অহা ২৭ ছেপ্তেম্বৰত চূড়ান্ত তালিকা প্ৰকাশ কৰা হ'ব। ইয়াৰ পূৰ্বে কাইলৈৰ পৰা ২০ ছেপ্তেম্বৰলৈ খচৰাৰ ওপৰত শুনানি গ্ৰহণ কৰা হ'ব।

0000000

নতুন দিল্লীত আজি অনুষ্ঠিত আম আদমী পাৰ্টীৰ বিধায়কসকলৰ বৈঠকত দলৰ জ্যেষ্ঠ নেত্ৰী শ্ৰীমতী আতিশীক বিধায়িনী গোটৰ নেত্ৰী হিচাপে বাছনি কৰা হয়। বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰী গোপাল ৰায়ে কয় যে পৰৱৰ্তী বিধানসভা নিৰ্বাচন পৰ্যন্ত আতিশী মুখ্যমন্ত্ৰী হ'ব বুলি সৰ্বসন্মতিক্ৰমে সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। আম আদমী পাৰ্টীয়ে অহা অক্টোবৰ-নৱেম্বৰত দিল্লীত বিধানসভা নিৰ্বাচন অনুষ্ঠিত হোৱাটো বিচাৰে বুলি তেওঁ প্ৰকাশ কৰে। শ্ৰী ৰায়ে বিজেপিয়ে আম আদমী পাৰ্টীক নিঃশেষ কৰাৰ চেষ্টা চলাইছে বুলি অভিযোগ তোলে। ইয়াৰ পূৰ্বে কাৰাগাৰৰ পৰা ওলাই অহাৰ দুদিন পাছত দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে পদত্যাগ কৰাৰ কথা ঘোষণা কৰিছিল। শ্ৰী কেজৰিৱালে আজি দিল্লীৰ উপ-ৰাজ্যপাল ভি কে ছাক্সেনাক সাক্ষাৎ কৰি পদত্যাগ পত্ৰ দাখিল কৰে।

0000000

**সমাপ্ত**